**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-DEC-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দুদিনীয়া অসম ভ্ৰমণ সন্দৰ্ভত কইনাধৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ গুৰুত্বপূৰ্ণ বৈঠক।

২। অপৰাধৰ তদন্তৰ ক্ষেত্ৰত অসম সম্প্ৰতি দেশৰ ভিতৰতে শীৰ্ষস্থানত আছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ প্ৰকাশ।

৩। চাহ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে বাগিচাসমূহত জৰীপ চলাবলৈ শীঘ্ৰেই সমিতি গঠনৰ সিদ্ধান্ত।

৪। তেজপুৰ বিশ্ববিদ্যালয়ত ভাৰপ্ৰাপ্ত উপাচাৰ্য নিযুক্তি দিবলৈ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক মুখ্যমন্ত্ৰীৰ অনুৰোধ। **আৰু**

৫। এদিনীয়া ক্ৰিকেট শৃংখলাৰ ৰায়পুৰত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰতক ৪ উইকেটত পৰাজিত কৰি দক্ষিণ আফ্ৰিকাৰ সমতা স্থাপন।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ২০ আৰু ২১ ডিচেম্বৰত দুদিনীয়া অসম ভ্ৰমণ সন্দৰ্ভত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰীৰ এই দুদিনীয়া অসম ভ্ৰমণকালত বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱনটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। একেদিনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে গুৱাহাটীত এখন জনসভাত অংশগ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ২১ ডিচেম্বৰত ডিব্ৰুগড় জিলাৰ নামৰূপত স্থাপন হ'বলগীয়া এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পৰ বাৰ্ষিক ১২ দশমিক ৭ মেট্ৰিক টন এম'নিয়া ইউৰিয়া উৎপাদনৰ ক্ষমতা থাকিব। প্ৰধানমন্ত্ৰীৰ এই দুদিনীয়া ভ্ৰমণসূচীৰ প্ৰস্তুতি সন্দৰ্ভত সকলো দিশ সামৰি কালি কইনাধৰাৰ অতিথিশালাত কেইবাগৰাকী ৰাজ্যিক মন্ত্ৰীৰ লগতে বিষয়াই অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণসূচী সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলো বিভাগকে তৎপৰতাৰে দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিয়া হয়।

০০০০০০

অপৰাধৰ তদন্তৰ ক্ষেত্ৰত অসম সম্প্ৰতি দেশৰ ভিতৰতে শীৰ্ষস্থানত আছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী বাছনি লাভ কৰা প্ৰাৰ্থীক  নিযুক্তি-পত্ৰ প্ৰদান কৰি দিয়া ভাষণত এই কথা উল্লেখ কৰে। নতুন ফৌজদাৰী আইনৰ অধীনত অসম আৰক্ষীয়ে অনুসন্ধানৰ ক্ষেত্ৰত সৰ্বশ্ৰেষ্ঠ পাৰদৰ্শিতা দেখুৱাইছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট

অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে নিযুক্তি প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে ইতিমধ্যে পূৰ্বৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সমৰ্থ হৈছে। পূৰ্বে ঘোষণা কৰা ১ লাখ নিযুক্তিৰ ঠাইত বৰ্তমানলৈ ১ লাখ ৪০ হাজাৰ নিবনুৱা

যুৱক-যুৱতীক চাকৰি দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। অহা দুদিনৰ ভিতৰত পুনৰ ৫ হাজাৰ পদৰ বাবে নতুনকৈ বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়।

মুখ্যমন্ত্ৰীয়ে কালি নিযুক্তি পত্ৰ প্ৰদান কৰাসকলৰ ভিতৰত অসম আৰক্ষীৰ উপ-পৰিদৰ্শক আৰু সমপৰ্যায়ৰ পদত ১৫৬ গৰাকী, কনিষ্টবল আৰু সমপৰ্যায়ৰ পদত ৫ হাজাৰ ৪১০ গৰাকী প্ৰাৰ্থীৰ লগতে ২৫২ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থী আছে। নিৰ্বাচিত প্ৰাৰ্থীসকলৰ ৫ হাজাৰ ১০ গৰাকীয়ে অসম আৰক্ষী, ৪১১ গৰাকীয়ে অসম আৰক্ষী অনাতাঁৰ সংগঠন, ৩৬১ গৰাকীয়ে গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা, ২১ গৰাকীয়ে অগ্নি আৰু জৰুৰীকালীন সেৱা, ১২ গৰাকীয়ে কাৰাগাৰ আৰু তিনিগৰাকীয়ে ফৰেনচিক বিজ্ঞান সঞ্চালকালয়ত নিযুক্তি লাভ কৰিছে।

চাহ জনজাতি সম্প্ৰদায়ৰ বাবে সংৰক্ষিত ৩ শতাংশ পদত বাছনি লাভ কৰা ১২০ গৰাকী প্ৰাৰ্থীক অহা ৮ ডিচেম্বৰত পৃথকভাৱে নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

চাহ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদানৰ বাবে বাগিচাসমূহত জৰীপ চলাবলৈ শীঘ্ৰেই এখন সমিতি গঠন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি চাহ শ্ৰমিকক ভূমি হস্তান্তৰ সন্দৰ্ভত জিলা আয়ুক্তসকলৰ সৈতে অনুষ্ঠিত এখন বৈঠকত এই বিষয়ে প্ৰকাশ কৰে। এই বৈঠকতে প্ৰতিখন চাহ বাগিচাত এখনকৈ চাৰিজনীয়া সমিতি গঠনৰ জৰিয়তে ভূমি জৰীপ চলোৱাৰ সিদ্ধান্ত লোৱা হয়। এই সমিতিয়ে চাহ শ্ৰমিকসকলৰ আবেদন পত্ৰ সংগ্ৰহ কৰাত সহায় কৰিব। জৰীপৰ পাছতহে পৰ্যায়ক্ৰমে ভূমিপট্টা দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইতিমধ্যে বিধানসভাত চাহ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ দিয়াৰ বাবে গৃহীত বিধেয়কখনত ৰাজ্যপালে অনুমোদন জনোৱাৰ পাছতে বাগিচাৰ মাটিসমূহ প্ৰথমে চৰকাৰলৈ হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হয়। বাগিচাসমূহত পৰ্যায়ক্ৰমে এই ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ সুস্থিৰ কৰি তোলাৰ বাবে শীঘ্ৰেই এগৰাকী ভাৰপ্ৰাপ্ত উপাচাৰ্য নিযুক্তি দিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক অনুৰোধ জনাইছে। যোৱা প্ৰায় আঢ়ৈ মাহ ধৰি বিশ্ববিদ্যালয়খনত চলি থকা অচলাৱস্থা সন্দৰ্ভত কালি মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীৰ সৈতে আলোচনা কৰে। বিশ্ববিদ্যালয়খনৰ বৰ্তমান উপাচাৰ্যগৰাকী দীৰ্ঘদিন ধৰি আঁতৰি থকাৰ পৰিপ্ৰেক্ষিতত তেওঁৰ বিৰুদ্ধে নিৰপেক্ষ তদন্ত চলি আছে যদিও ছাত্ৰ-ছাত্ৰীৰ যাতে ক্ষতি নহয় তাৰপ্ৰতি লক্ষ্য ৰাখি ভাৰপ্ৰাপ্ত উপাচাৰ্য নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। উল্লেখযোগ্য যে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যগৰাকীৰ বিৰুদ্ধে উত্থাপিত অনিয়মৰ অভিযোগ সন্দৰ্ভত ইয়াৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীসকলে প্ৰতিবাদ অব্যাহত ৰাখিছে।

ইয়াৰ আগেয়ে তেজপুৰ বিশ্ববিদ্যালয়ত যোৱা প্ৰায় দুমাহ ধৰি সৃষ্টি হোৱা অচলাৱস্থাৰ অৱসান ঘটাবলৈ মঙলবাৰে সাংসদ অজিত কুমাৰ ভূঞাইও ৰাজ্যসভাত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীক আহ্বান জনাইছিল। ১৯৯৪ চনৰ সংশ্লিষ্ট আইনৰ অধীনত প্ৰতিষ্ঠা হোৱা এই কেন্দ্ৰীয় বিশ্ববিদ্যালয়খনত সংঘটিত বিভিন্ন অনিয়ম সন্দৰ্ভত বিশ্ববিদ্যালয়খনৰ ছাত্ৰ সম্প্ৰদায় আৰু শিক্ষক কৰ্মচাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰি কৰি অহাৰ পৰিপ্ৰেক্ষিতত বিষয়টো শীঘ্ৰেই নিষ্পত্তিৰ প্ৰয়োজন হৈছে বুলি তেওঁ উল্লেখ কৰিছিল। তেওঁ লগতে উপাচাৰ্যগৰাকী যোৱা প্ৰায় দুমাহ ধৰি বিশ্ববিদ্যালয়খনৰ পৰা আঁতৰি আছে আৰু তেওঁৰ কাম-কাজ সম্পৰ্কে অসম চৰকাৰে গঠন কৰা উচ্চ পৰ্যায়ৰ তদন্ত সমিতিয়েও কেতবোৰ গুৰুত্বপূৰ্ণ বিসংগতি ধৰা পেলাইছে বুলিও সদনত উল্লেখ কৰিছিল।

০০০০০০

ঘন কুঁৱলীৰ বাবে আজি পুৱাৰ ভাগত গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী চলাচল ব্যাহত হয়। যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আভ্যন্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰে। একেদৰে কালি পুৱাৰ ভাগত

ফেৰী সেৱা বিঘ্নিত হৈছিল। পাছলৈ বতৰ ফৰকাল হোৱাত ফেৰী সেৱা পুনৰ আৰম্ভ কৰা হয়।  এই সন্দৰ্ভত সবিশেষ তথ্যৰ বাবে আমাৰ কামৰূপৰ সংবাদাতা কৌশিক ৰায়ে এইদৰে জনাইছে।

**ভইচ (কৌশিক)**

০০০০০০

অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱৰ দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। যোৰহাটবাসী ৰাইজ আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সাহিত্য অনুৰাগীৰ উপস্থিতিত এই ঐতিহ্যপূৰ্ণ ভৱনটোৰ গৌৰৱপূৰ্ণ শতবৰ্ষ অনুষ্ঠানটো উদযাপিত হয়। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সাংস্কৃতিক শোভাযাত্ৰা, আলোচনাচক্ৰ, স্মৃতি গ্ৰন্থ উন্মোচন কৰাৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ বিশিষ্ট সাহিত্যিক, নৱ প্ৰজন্মৰ প্ৰতিনিধিকে ধৰি বহুলোকে অংশগ্ৰহণ কৰে।

০০০০০০

নগাঁও জিলা প্ৰশাসনে ৰূপহীহাট থানাৰ অন্তৰ্গত ভকতগাঁৱত কাইলৈ উচ্ছেদ অভিযান চলাব। উচ্ছেদ অভিযানৰ বাবে ইতিমধ্যে জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। প্ৰশাসনে প্ৰায় ৩৮ বিঘা ভূমিত থকা ৭৫টা পৰিয়ালৰ বাসগৃহত উচ্ছেদ চলাব। জিলা প্ৰশাসনে দখলকাৰীলৈ প্ৰেৰণ কৰা জাননীৰ সময়সীমা কালি উকলি গৈছে। উল্লেখযোগ্য যে দখলকাৰী পৰিয়ালসমূহক ১৫ দিনৰ ভিতৰত দখলীকৃত ভূমি খালী কৰিবলৈ জাননী প্ৰেৰণ কৰা হৈছিল। জাননী পোৱাৰ পাছতে একাংশ পৰিয়ালে সেই ঠাই এৰি আঁতৰি গৈছে। কালি ৰূপহীহাট আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এটা দলে অঞ্চলটো পৰিদৰ্শন কৰি দখলকাৰী পৰিয়ালসমূহক শীঘ্ৰেই চৰকাৰী ভূমি খালী কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলি থকা এদিনীয়া ক্ৰিকেট শৃংখলাৰ কালি ৰায়পুৰত অনুষ্ঠিত দ্বিতীয়খন খেলত দুৰ্বল বলিঙৰ বাবে কালি ভাৰতে পৰাজিত হ'বলগীয়া হয়। খেলখনত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনোৱাত ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৩৫৮ ৰান ৰ বিশাল স্কৰ কৰে। ঋতুৰাজ গাইকোৱাড়ে সৰ্বাধিক ১০৫ আৰু বিৰাট কোহলীয়ে ১০২ ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ৪৯ অভাৰ আৰু ২টা বলত ৬টা উইকেটৰ বিনিময়ত ৩৬২ ৰান সংগ্ৰহ কৰি জয় নিশ্চিত কৰে। ৯৮টা বলত সৰ্বাধিক ১১০ ৰান কৰা এইডেন মাৰ্কৰামক প্লেয়াৰ অব দা মেচ ঘোষণা কৰা হয়। কালিৰ এই জয়েৰে দক্ষিণ আফ্ৰিকাই তিনিখনীয়া এদিনীয়া শৃংখলাত সমতা স্থাপন কৰিছে। শৃংখলাৰ তৃতীয়খন খেল পৰহিলৈ অনুষ্ঠিত হ'ব।

০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত গোৱালপাৰা জিলাক অভিলাষী জিলাৰূপে পৰিগণিত হোৱা সন্দৰ্ভত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ সৈতে হোৱা এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ গোৱালপাৰা জিলাৰ সংবাদদাতা ৰছিদুল হুছেইনে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ে স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ যান্মাষিকৰ পৰীক্ষা বিশৃংখলতাৰে অনুষ্ঠিত কৰাত হাজাৰ হাজাৰ শিক্ষাৰ্থীৰ শৈক্ষিক জীৱনলৈ অশনি সংকেত নামি অহাৰ এটা উদ্বেগজনক বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে আজি প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম 'চূড়ান্ত বেমেজালিৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যান্মাষিকৰ পৰীক্ষা, বিপাঙত হাজাৰ হাজাৰ শিক্ষাৰ্থী'।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি অসম আৰক্ষী আৰু গৃহ বিভাগৰ মুঠ ৫ হাজাৰ ৮১৮ গৰাকী বাছনি লাভ কৰা প্ৰাৰ্থীক  নিযুক্তি-পত্ৰ প্ৰদান কৰাৰ বাতৰিটো আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে 'অসমৰ চাকৰি প্ৰত্যাশীলৈ আন এক সুখবৰ মুখ্যমন্ত্ৰীৰ, ২৬-ত বিজেপি চৰকাৰ হ'লে পুনৰ

২ লাখক নিযুক্তি', **দা ছেণ্টিনেল** কাকতে 'We're on a mission to end corruption, says CM, 5818 candidates receive appointment letters in Home Department' শিৰোনাম দিছে।

'জলজীৱন মিছনত কোটি কোটিৰ অনিয়ম' শিৰোনামেৰে **দৈনিক অসম** কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** আৰু **দৈনিক জনমভূমি** কাকতে বিশ্বৰ প্ৰতিবন্ধী দিৱসৰ দিনটোত কেইবাশ বিশেষভাৱে সক্ষম ব্যক্তিয়ে দিব্যাংগ পেঞ্চনৰ পুনৰ প্ৰৱৰ্তনকে ধৰি কেইবাটাও দাবীৰে দিছপুৰত প্ৰতিবাদ সাব্যস্ত কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া খবৰ** কাকতে ১০৮ জৰুৰীকালীন এম্বুলেন্স সেৱা পৰিচালনা কৰা জিভিকে কৰ্তৃপক্ষই প্ৰতিবাদকাৰী ১০৮-ৰ কৰ্মচাৰীসকলক সমূহীয়া চাটাই কৰা বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলি থকা এদিনীয়া ক্ৰিকেট শৃংখলাৰ ৰায়পুৰত অনুষ্ঠিত দ্বিতীয়খন খেলত ভাৰত পৰাজিত হ'লেও বিৰাট কোহলিৰ ধাৰাবাহিক শতকক লৈ প্ৰশংসাসূচক বাতৰি এটা **আমাৰ অসম**ৰ উপৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসম কাকতে 'জয় বা পৰাজয়, ভৰসা সেই ভিণ্টেজ কোহলিয়েই' আৰু দি আছাম ট্ৰিবিউন কাকতে 'Kohli strikes 2nd successive ODI ton' শিৰোনাম দিছে।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য অৱদান আৰু সৃষ্টি সম্ভাৰক বিশ্বজনীন কৰাৰ প্ৰয়াসেৰে কালিৰে পৰা ওড়িশাৰ পুৰীত অনুষ্ঠিত পুৰী মহোৎসৱৰ আজি সামৰণি পৰিব। দুদিনীয়া এই মহোৎসৱত অসমৰ ভালেসংখ্যক ব্যক্তিয়ে অংশ লৈছে। আজি  কেইবাটাও ধৰ্মীয় কাৰ্যসূচী ৰখা হৈছে। আজি হ'বলগীয়া পালনামত গুৱাহাটীৰ সাৰংগপাণি পাঠকে অংশ ল'ব। কালি পুৰীৰ শ্ৰীমন্ত শংকৰদেৱ নামঘৰ প্ৰাংগণত বৰপেটা সত্ৰৰ চম্পক দাসৰ জাগৰণৰ গীত পৰিৱেশনেৰে মহোৎসৱ শুভাৰম্ভ কৰা হয়। পুৱাৰ প্ৰসংগ সংগীত-নাটক একাডেমী বঁটাপ্ৰাপক ৰাজ্যৰ বিশিষ্ট সত্ৰীয়া শিল্পী গুণীন্দ্ৰ নাথ ওজাই পৰিচালনা কৰে। ইয়াৰ পাছতে  বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মল অধিকাৰীয়ে মুকলি কৰে। ঔতলা সত্ৰৰ সত্ৰাধিকাৰ বাবুল চন্দ্ৰ ডেকাই মহোৎসৱৰ বাবে পৱিত্ৰ ভাগৱত বহন কৰে। ইয়াৰ পাছতে মুকলি সভা অনুষ্ঠিত হয়। মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ডং বাবুল চন্দ্ৰ দাসে উন্মোচন কৰে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলীয়ে আবৰি থাকিব। অৱশ্যে পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত